59

**3 SEM TDC ASM M 2**

**2 0 1 3**

( November )

ASSAMESE

( Major )

Course : 302

( অসমীয়া কবিতাৰ অধ্যয়ন )

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ লিখাঁ : ১×৮=৮

(ক) "কবিৰাজ কন্দলিয়ে আমাকেসে বুলিৱয়।" কবিৰাজ কন্দলি কোন?

(খ) তিনি প্ৰকাৰৰ অসমীয়া আখ্যানমূলক গীতৰ ভিতৰত ফুলকোঁৱৰ-মণিকোঁৱৰৰ গীত কোন প্ৰকাৰৰ অন্তৰ্গত?

(গ) "তহিতে পৰিলা গৈয়া পৱননন্দন"...

পৱননন্দন বুলি কাক বুজাইছে?

(ঘ) ৰোমাণ্টিক যুগৰ কোনজন কবি 'জোনাকী' কাকতৰ প্ৰতিষ্ঠাপক, প্ৰকাশক আৰু সম্পাদক আছিল ?

(ঙ) 'চিৰ চেনেহী মোৰ ভাষা জননী' শীৰ্ষক জাতীয় প্ৰেমৰ গীতটোৰ ৰচয়িতা কোন ?

(চ) কোনগৰাকী অসমীয়া কবিয়ে 'কাব্যভাৰতী' উপাধি লাভ কৰিছিল ?

(ছ) 'হে অৰণ্য হে মহানগৰ' কাব্যগ্ৰন্থখনৰ লেখক কোন ?

(জ) ভাৰতীয় আৰক্ষী সেৱাৰ কোনগৰাকী বিষয়া বৰ্তমান এগৰাকী প্ৰতিষ্ঠিত অসমীয়া কবি ?

২। (ক) অসমীয়া সাহিত্যৰ ইতিহাসত গীতি-সাহিত্যৰ স্থান সম্পৰ্কে এটি আলোচনা যুগুত কৰাঁ। ১৪

*অথবা*

(খ) অসমীয়া কবিতাৰ ইতিহাসত বৈষ্ণৱ যুগৰ অৱদান শীৰ্ষক এটি টোকা লিখাঁ।

৩। (ক) 'ফুলকোঁৱৰৰ গীত' কাব্যখণ্ডত প্ৰকাশ পোৱা মালিনী বুঢ়ীৰ শুকান ফুলনিখন কেনেকৈ ফুলি তমস্কাৰ হ'ল, বৰ্ণনা কৰাঁ। ১৪

*অথবা*

(খ) বড়ু চণ্ডীদাসৰ 'শ্ৰীকৃষ্ণকীৰ্ত্তন'ক কিয় মিশ্ৰ অসমীয়া ৰচনা বুলি কোৱা হয় ? পাঠ্যাংশত ৰাধাই কেনেকৈ কৃষ্ণৰ বাঁহী চুৰ কৰি নিছিল, বৰ্ণনা কৰাঁ। ৪+১০=১৪





৪। (ক) 'সুন্দৰা কাণ্ড'ৰ যোগেদি মাধৱ কন্দলিৰ ৰচনাৰ সাহিত্যিক-সৌন্দৰ্য সম্পৰ্কে এটি আলোচনা আগবঢ়োৱাঁ।

*অথবা*

(খ) 'খেদ' শীৰ্ষক ঘোষাটিৰ মাজত মাধৱদেৱৰ কেনে ভাৱ আৰু ভক্তিৰ প্ৰকাশ ঘটিছে, আলোচনা কৰাঁ।

৫। (ক) 'পৰম তৃষ্ণা' কবিতাটোত প্ৰতিফলন ঘটা ৰহস্যবাদী চিন্তাধাৰা সম্পৰ্কে এটি আলচ যুগুত কৰাঁ।

*অথবা*

(খ) 'কাঠমিস্ত্ৰীৰ ঘৰ' কবিতাটোত প্ৰকাশ পোৱা চিত্ৰকল্পসমূহ বিচাৰ কৰাঁ।

৬। চমু উত্তৰ লিখাঁ (যি কোনো দুটা) : ৮×২=১

(ক) 'একুৰা জুই' কবিতাটোত সমসাময়িক সমাজ-ব্যৱস্থাৰ চিত্ৰ কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰাঁ।

(খ) "... সমুদ্ৰ নিজেই এক সুপ্ৰাচীন নাৰী
চিৰদিন গৰ্ভৱতী।"

'সমুদ্ৰ ভীতি' কবিতাটোত প্ৰকাশ পোৱা সমুদ্ৰৰ একাধিক প্ৰতীকী ব্যঞ্জনা সম্পৰ্কে চমুকৈ লিখাঁ।

(গ) 'চুলি নাবান্ধিবা যাজ্ঞসেনী' কবিতাটোৰ মাজত প্ৰকাশ পোৱা নাৰীমনৰ চিৰবিদ্ৰোহিনী ৰূপটোৰ চমু আভাস দাঙি ধৰাঁ।

★★★